# মাতৃভাষাৰ শিক্ষাও জাতীয় অস্তিত্ব ৰক্ষাৰ অপৰিহাৰ্য চৰ্ত

Asomiya Pratidin , 2nd January 2018

ডাঃ নাৰায়ণ শৰ্মা



১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ চলা ছবছৰীয়া অসম আন্দোলন, তাৰ পিচত স্বাক্ষৰিত অসম চুক্তি আৰু যোৱা তিনি দশকৰো অধিক কালজুৰি অসম চুক্তি ৰূপায়ণৰ শিথিলতা আৰু ব্যৰ্থতাই অসমৰ খিলঞ্জীয়া জনগণৰ স্বকীয় পৰিচয় আৰু অস্তিত্বৰ ■ ১০ পৃষ্ঠাত

■ *প্ৰথম পৃষ্ঠাৰ পৰা* প্ৰতি সৃষ্টি কৰি অহা ভাবুকিৰ পিচত ৩১ ডিচেম্বৰ '১৭ৰ মাজনিশা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ আংশিক খচৰা তালিকা প্ৰকাশ এক ইতিবাচক পদক্ষেপৰ আৰম্ভণি বুলি আশা কৰিব পাৰি। অৱশ্যে সকলো বৈধ অসমবাসীৰ নাম সন্নিৱিষ্ট আৰু সকলো অবৈধ বিদেশীৰ নামৰহিত এখন পূৰ্ণাংগ আৰু শুদ্ধ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী বা এন আৰ চিৰ চূড়ান্ত তালিকা প্ৰকাশ নোহোৱালৈকে সম্পূৰ্ণ আশ্বস্ত হ'ব নোৱাৰি। তথাপি পৰিচয় বিলুপ্তিৰ শংকাৰে জৰ্জৰিত খিলঞ্জীয়া অসমবাসীয়ে উচ্চতম ন্যায়ালয়ৰ হস্তক্ষেপত কিঞ্চিৎ হ'লেও আশাৰ ৰেঙণি দেখিছে।

শুদ্ধ আৰু পূৰ্ণাংগ এন আৰ চি এখনে অসমৰ খিলঞ্জীয়া লোকৰ ৰাজনৈতিক পৰিচয় আৰু জনগাঁথনিক কিছু সুৰক্ষিত কৰিব বুলি ধৰি ল'লেও জাতীয় পৰিচয়, বৈশিষ্ট্য আৰু ভাষা-সংস্কৃতি ৰক্ষাৰ বাবে এন আৰ চিখনেই আমাক সকলো সুৰক্ষা দিব বুলি ভবাটো হ'ব এক অবাস্তৱ আৰু অলীক সপোন। এন আৰ চি এখন হৈ যোৱাৰ পিচতো আমাৰ কৰণীয় আন এনে বহুতো কথা আছে যিবোৰৰ অবিহনে জাতীয় অস্তিত্বৰক্ষাৰ কথাবোৰ মাথোঁ শ্ল'গান হৈহে থাকিব। এক স্বনিৰ্ভৰশীল অৰ্থনীতি, কৰ্ম-সংস্কৃতি, নিজস্ব ভাষা-সংস্কৃতিৰ নিয়মীয়া চৰ্চা আৰু সেইবোৰৰ প্ৰতি উপযুক্ত সন্মান, এক বিজ্ঞানসন্মত আৰু আধুনিক শিক্ষানীতিৰে মাতৃভাষা মাধ্যমৰ শিক্ষা-ব্যৱস্থাৰ সবলীকৰণ আৰু প্ৰসাৰ আদি ব্যৱস্থাৰ জৰিয়তেহে অসমৰ প্ৰকৃত পৰিচয় আৰু বৈশিষ্ট্য সুৰক্ষিত কৰাটো সম্ভৱপৰ হ'ব।

এন আৰ চি প্ৰকাশৰ এই ঐতিহাসিক দিনটোত আনবোৰ বিষয় বাদ দি অসমৰ শৈক্ষিক ব্যৱস্থাটোৰ পুনৰ নিৰ্মাণ বা নৱজাগৰণেৰে কিদৰে জাতীয় পৰিচয় সুৰক্ষাৰ ব্যৱস্থাটো শক্তিশালী কৰিব পাৰি সেই বিষয়ে কিছু কথা আলোকপাত কৰিবলৈ বিচাৰিছোঁ। যোৱা চৌবিশটা বছৰ ধৰি অসম জাতীয় বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাটোত জড়িত হৈ থকাৰ অভিজ্ঞতাই অসমৰ প্ৰচলিত শিক্ষা-ব্যৱস্থাটো অনুধাৱন কৰাত আমাক সহায় কৰিছে। স্কুলীয়া স্তৰৰ শিক্ষা ব্যৱস্থাটোত চৰকাৰী মাতৃভাষা বিদ্যালয়ৰ সমস্যাসমূহ প্ৰতিদিনেই বৃদ্ধি পাই আহিছে। সবাতোকৈ উদ্বেগজনক বিষয়টো হৈছে— চৰকাৰী বিদ্যালয়বোৰৰ প্ৰতি শিক্ষাৰ্থী তথা অভিভাৱকৰ ক্ৰমান্বয়ে হ্ৰাস পাই অহা আকৰ্ষণ। অৱস্থাটোৱে এনে পৰ্যায় পাইছেগৈ যে বহুবোৰ বিদ্যালয় একত্ৰীকৰণ কৰা হৈছে, আন বহুতো বিদ্যালয় লাহে লাহে বন্ধ কৰি অহা হৈছে। এই স্থান পূৰণ কৰিবলৈ ব্যক্তিগত খণ্ডৰ নতুন নতুন বিদ্যালয় স্থাপন হৈছে। আজিৰ পৰা তিনি-চাৰি দশক আগৰ আন্তঃগাঁথনিৰ তুলনাত বৰ্তমান বহুতো চৰকাৰী বিদ্যালয়ৰ ঘৰ বা শ্ৰেণীকোঠালি উন্নতমানৰ, শিক্ষা বিনামূলীয়া, কিতাপ-পত্ৰ বিনামূলীয়া, খোৱাপানী, শৌচাগাৰ আদিৰ উন্নত ব্যৱস্থা, ইউনিফৰ্ম, চাইকেল, মধ্যাহ্ন ভোজন আদিৰ অপৰ্যাপ্ত সুবিধা। এনেধৰণৰ ব্যাপক সা-সুবিধাকো নেওচা দি অভিভাৱকসকলে গাঁঠিৰ ধন ভাঙি নিজৰ সতি-সন্ততিক কিয় ব্যক্তিগত খণ্ডৰ বিদ্যালয়লৈ লৈ যায়, সেই বিষয়ে বিশ্লেষণ কৰিলে বিভিন্ন কাৰক দৃষ্টিগোচৰ হ'ব। এই সকলোবোৰ কাৰকৰ বিশ্লেষণলৈ নগৈ মাত্ৰ এটা বিষয়েই ইয়াত সীমিত ৰূপত দাঙি ধৰিবলৈ বিচাৰিছোঁ।

মোৰ দৃষ্টিত চৰকাৰী বিদ্যালয়বোৰৰ প্ৰতি অভিভাৱকসকল আকৰ্ষিত নোহোৱাৰ অন্যতম এক গুৰুত্বপূৰ্ণ কাৰক হৈছে প্ৰকৃত প্ৰাক্-বিদ্যালয় শিক্ষাৰ অভাৱ। শিশুৰ শিক্ষা জীৱনৰ প্ৰাথমিক ভেটিটোৱেই হৈছে সুপৰিকল্পিত প্ৰাক-বিদ্যালয় শিক্ষা (Pre-school education)। ৫ বা ৬ বছৰ বয়সত প্ৰথম শ্ৰেণীত আনুষ্ঠানিক শিক্ষা আৰম্ভ হোৱাৰ পূৰ্বে ৩ বছৰ বয়সৰ পৰা প্ৰথম দুটা বছৰ খেল-ধেমালি আৰু ক্ৰিয়াকলাপৰ মাধ্যমেৰে শিশুক পৰৱৰ্তী শিক্ষা জীৱনৰ বাবে প্ৰস্তুত কৰিব লাগে। ইয়াক সেয়েহে প্ৰস্তুতি কাৰ্যসূচী (Readiness programme) বুলি কোৱা হয়।

ইংৰাজী মাধ্যমৰ বিদ্যালয়বোৰত প্লে গ্ৰুপ, নাৰ্ছৰী, কিণ্ডাৰ গাৰ্টেন আদি নামেৰে প্ৰায় ২ বা ২½ বছৰ বয়সৰ পৰাই শিশুক আকৰ্ষণ কৰিবলৈ চেষ্টা কৰা হয়। অৱশ্যে এটা অপ্ৰিয় সত্য কথা এয়াই যে অধিকাংশ এনে শিক্ষানুষ্ঠানতেই এই বয়সৰ শিশুকো অপ্ৰয়োজনীয়ভাৱে আনুষ্ঠানিক শিক্ষাৰ বোজাৰে ভাৰাক্ৰান্ত কৰা হয়। চৰকাৰী খণ্ডত ৩-৪ বছৰ বয়সৰ শিশুক এনেধৰণৰ ক্ৰিয়াকলাপৰ দ্বাৰা শিক্ষাদান কৰাৰ যিটো ব্যৱস্থা, সেয়া হৈছে অংগনবাড়ী কেন্দ্ৰসমূহ আৰু প্ৰাথমিক বিদ্যালয়ত থকা প্ৰাক্-প্ৰাথমিকৰ শাখা একোটা। এই কেন্দ্ৰসমূহৰ অধিকাংশৰে যিটো পৰিৱেশ সেয়া এটি শিশু বা তেনে শিশুৰ অভিভাৱকক আকৰ্ষণ কৰাৰ বাবে মুঠেও উপযোগী নহয়। তাত থকা সা-সুবিধাসমূহো অতি সীমিত। তদুপৰি ব্যক্তিগত খণ্ডৰ অনুৰূপ অনুষ্ঠানবোৰৰ তুলনাত অংগনবাড়ী কেন্দ্ৰসমূহত অন্যান্য স্বাস্থ্য বিষয়ক কাৰ্যসূচীও চলি থাকে। এনে পৰিৱেশলৈ শিশুক আগবঢ়াই দিবলৈ অভিভাৱকসকল আগ্ৰহী নহয়। আকৌ ৫ বছৰ বয়সপৰ্যন্ত শিশু এটিক ঘৰতেই বহাই থ'বলৈও স্বাভাৱিকতেই কোনেও নিবিচাৰে। এনে পৰিস্থিতিত শিশুটিক ৩ বছৰ বয়স হ'লেই ব্যক্তিগত খণ্ডৰ বিদ্যালয় একোখনত নামভৰ্তি কৰাই দিবলৈ অভিভাৱকসকল বহু সময়ত বাধ্য হয়। এবাৰ নামভৰ্তি কৰাৰ পিচত স্বাভাৱিকতে পৰৱৰ্তী শিক্ষা গ্ৰহণো তাতেই আগবাঢ়ি যায়।

চৰকাৰী বিদ্যালয়বোৰ পুনৰ নতুন ৰূপত উজ্জীৱিত কৰিবলৈ হ'লে অন্যান্য ব্যৱস্থাৱলীৰ লগতে দুবছৰীয়া প্ৰাক্-বিদ্যালয় শাখা একোটা অত্যাধুনিক আৰু সুসজ্জিত ৰূপত সজাই তুলিব লাগিব। ৩ বছৰ বয়সতেই এক অনুকূল পৰিৱেশত শিক্ষা জীৱন আৰম্ভ কৰাব পাৰিলে পৰৱৰ্তী পৰ্যায়তো শিশুসকলে চৰকাৰী বিদ্যালয়তে শিক্ষা গ্ৰহণ কৰিব বুলি আশা কৰিব পাৰি। এক নতুন শিক্ষা নীতিৰ অসমৰ শিক্ষা ব্যৱস্থাটোৰ সামগ্ৰিক উন্নয়নৰ পৰিকল্পনা কৰিবলৈ হ'লে প্ৰাক্-বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত ব্যাপক কৰ্মপন্থা হাতত ল'বই লাগিব।

অসম আৰু অসমীয়া জাতিৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত মাতৃভাষা মাধ্যমত পঢ়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ক্ৰমান্বয়ে কমি অহা কথাটোৱে জাতিটোৰ প্ৰতি বিদেশী অনুপ্ৰৱেশকাৰীৰ দৰেই ভাবুকি কঢ়িয়াই আনিছে। সেয়া প্ৰতিহত কৰাৰ বাবে বাস্তৱ পৰিস্থিতিৰ পটভূমিত নতুন শিক্ষা ব্যৱস্থা এটা গঢ়ি তুলিব লাগিব। একমাত্ৰ এন আৰ চিয়েই জাতিৰ ৰক্ষাকৱচ কেতিয়াও হ'ব নোৱাৰে।